# মুক্ত শৈক্ষিক সমল

**শ্ৰেণীঃ দ্বিতীয়** **বিষয় ঃ গণিত**

এই সমলৰ সংক্ষিপ্ত ৰূপ ৰেখা

পাঠ নং ১৩ পাঠৰ নাম ঃ সময়

বিষয়বস্তু/ধূসৰ ক্ষেত্ৰ/শিকন ঘাটি ঃ সময়

শৈক্ষিক দিনপঞ্জী মতে শিকনৰ মাহ ঃ নৱেম্বৰ

| শিকন ফলাফল | শিক্ষণ-শিকন প্ৰক্ৰিয়া/কাৰ্য | প্ৰয়োজনীয় সামগ্ৰী | মূল্যায়নৰ আহিলা | বিষয় অধ্যয়ন | মন্তব্য |
|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| • ঘটনা/সময় ক্ৰমত সজাব পাৰিব।<br>• ঘড়ী চাই সময় কবলৈ শিকিব।<br>• সপ্তাহত থকা দিনৰ সংখ্যা, বছৰত থকা মাহৰ সংখ্যা জানিব। | • সাধু কোৱা।<br>• ঘটনা বা কাহিনী কোৱা।<br>• কথোপকথন, প্ৰশ্ন আৰু উত্তৰ।<br>• চিত্ৰ, চিত্ৰ কাহিনীৰ পৰ্যবেক্ষণ।<br>• কেলেণ্ডাৰৰ ওপৰত কাৰ্য।<br>• নমুনা ঘড়ী আৰু প্ৰকৃত ঘড়ীৰ লগত কাৰ্য | • সাধু, কাহিনী, ঘটনা সংগ্ৰহ।<br>• ছবি, চিত্ৰ কাৰ্ড আৰু চাৰ্ট।<br>• কাঠপেঞ্চিল<br>• চাৰ্টপেপাৰ<br>• নমুনা ঘড়ী<br>• প্ৰকৃত ঘড়ী<br>• ইংৰাজী আৰু আসমীয়া কেলেণ্ডাৰ<br>• বিভিন্ন গীত, কবিতা ইত্যাদি। | • আলোচনা আৰু বিভিন্ন প্ৰসঙ্গ উল্লেখ কৰি মৌখিকভাৱে মূল্যায়ন কৰিব যেনে- ৰাতিপুৱা, গধূলি, দিনত, ৰাতি কি কি কৰে ইত্যাদি।<br>• চিত্ৰত থকা বিভিন্ন কাৰ্য ক্ৰমত সজাবলৈ দিব।<br>• কেলেণ্ডাৰ চাই তাৰিখ, মাহ, সপ্তাহ নিৰ্ধাৰিত কৰিব ইত্যাদি।<br>• ঘড়ী চাই সময়ৰ ধাৰণা। | এটি ক্ষেত্ৰ অধ্যয়ন (Case study) সংলগ্ন কৰা হ'ল। | আমাৰ দৈনন্দিন জীৱনৰ সকলো কাৰ্য সময়মতে সম্পন্ন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলেও দিনটোৰ প্ৰায়বোৰ কাম সময়ৰ লগত সম্পৰ্ক ৰাখি সমাপন কৰে। গতিকে এই সমলটোৰ দ্বাৰা শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীক সময়ৰ বিভিন্ন ভাগ, দিন, বাৰ, মাহ, বছৰ আদিৰ জ্ঞান দিবলৈ সক্ষম হ'ব। |

| | |
|---|---|
| **শিকন ফলাফলঃ** | **ঘটনা / সময় ক্ৰমত সজাব পাৰিব।** |
| | **- ঘড়ী চাই সময় কব পাৰিব।** |
| | **- সপ্তাহত থকা দিনৰ সংখ্যা, বছৰত থকা মাহৰ সংখ্যা জানিব।** |

**কোন পাঠৰ অন্তৰ্ভূক্ত ঃ** পাঠ নং ১৩

পাঠৰ নাম ঃ সময়

শৈক্ষিক দিনপঞ্জীমতে শিকনৰ মাহ ঃ নৱেম্বৰ

## পাতনি

কণ কণ ছাত্ৰ-ছাত্ৰীসকলে সময়ৰ ধাৰণা সঠিকভাৱে বুজি পাবলৈ কিছু অসুবিধা পায়। সময়ৰ লগত জড়িত বছৰ, মাহ, দিন, ঘন্টা, মিনিট, চেকেণ্ড এই শব্দসমূৰ লগত পৰিচিত হ'বলৈ তেওঁলোকক বিভিন্ন উদাহৰণ আদি দিয়াৰ উপৰিও কথোপকথন, প্ৰশ্ন উত্তৰ ইত্যাদিত জড়িত কৰিব লাগিব। যেনে - বছৰত কেইটা মাহ, মাহবোৰত কিমান দিন, সপ্তাহত কিমান দিন, এটা দিনত কিমান ঘন্টা, ঘন্টাত কিমান মিনিট আৰু মিনিটত কিমান চেকেণ্ড ইত্যাদিৰ লগত কথোপকথন, ঘটনা, উদাহৰণ ইত্যাদিৰ দ্বাৰা পৰিচিত কৰিব পাৰিলেহে সময়ৰ ধাৰণা ছাত্ৰ-ছাত্ৰীয়ে পাব। কোনো এটা কাৰ্য বা ঘটনা/ পৰিঘটনাত কোনটোৰ পাছত কোনটো হব ছাত্ৰ-ছাত্ৰীক ক্ৰমত সজাবলৈ কব দিব লাগে তেতিয়াহে ক্ৰমত সজোৱাৰ ধাৰণা পাব যেনে - ৰাতিপুৱা শুই উঠাৰ পিছৰ পৰা বিদ্যালয়লৈ যোৱালৈকে শিশুসকলে কোনে কি কি কৰে তাক ক্ৰমত ক'বলৈ দিলেহে তেওঁলোকে সময়মতে কাম কৰাৰ কথা বুজি পাব আৰু কাম কৰাৰ ক্ৰমবোৰো সজাব পাৰিব। তাৰ বাবে শিক্ষকে শ্ৰেণীকোঠাত বিভিন্ন আলোচনা, কথোপকথন ছাত্ৰ-ছাত্ৰীৰ বয়স অনুযায়ী কৰিব লাগিব লগতে ঘড়ী চাই সময় কব পাৰিব।

**এই সমলটোৰ পৰা কি কি শিকিব পাৰিব-**

- বাস্তৱ উদাহৰণ আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক সময়ৰ ধাৰণা কিদৰে দিব তাৰ আভাস পাব।
- ঘটনা / পৰিঘটনাসমূহ ছাত্ৰ-ছাত্ৰীসকলে ক্ৰমত সজাবলৈ অপুনি শ্ৰেণীকোঠাত কিদৰে আগবাঢ়িব তাৰ আভাস পাব।
- ঘড়ীত সময় চাবলৈ ছাত্ৰ-ছাত্ৰীক কিদৰে উৎসাহিত কৰিব পাৰিব তাৰ ধাৰণা পাব।

## কাৰ্য ১ ঃ- সাধু কোৱা

(সাধুকথাৰ জৰিয়তে এটা ঘটনাৰ ক্ৰমৰ ধাৰণা আৰু কোনটো কামত কম সময় বা বেছি সময় লাগে তাৰ ধাৰণা দিয়া)

- ছাত্ৰ-ছাত্ৰীসকলক আপুনি এটা তেওঁলোকৰ মনোগ্ৰাহী হোৱাকৈ এটা সাধুকথা ক'ব। সাধুটোৰ বাবে আপুনি আগতীয়াকৈ দুই /এটা ধুনীয়া এনে সাধু সংগ্ৰহ কৰি ল'ব য'ত সময়ৰ উদাহৰণ আপুনি দিব পাৰে। যেনে - খৰিকটীয়াৰ সাধু জীৱ-জন্তুৰ সাধু, পঞ্চতন্ত্ৰৰ সাধু ইত্যাদি। সাধুটো কোৱাৰ পাছত সিহঁতক সাধুটোৰ লগত সংগতি থকা বিভিন্ন প্ৰশ্ন শুধিব। আনকি সাধুটো কৈ থকাৰ সময়তো প্ৰশ্ন শুধি যাব। যেনে -
- খৰিকটীয়াই কেতিয়া খৰি কাটিবলৈ হাবিত গৈছিল। ৰাতিপুৱা নে ৰাতি ?
- ঘৰলৈ খৰি কাটি কেতিয়া ঘূৰি আহিছিল, দিনত নে আবেলি নে ৰাতি ? ইত্যাদি।
- খৰি কাটিব বেছি সময় লাগিছিল নে খৰিখিনি বান্ধিব বেছি সময় লাগিছিল ইত্যাদি।
- কাহিনীবোৰৰ বাবে কিছুমান চিত্ৰ আগতীয়াকৈ আকি শ্ৰেণীকোঠাত আৰি দিয়ক। সাধুটো কোৱাৰ পাছত সংক্ষেপে চিত্ৰ চাই সাধুটো ছাত্ৰ-ছাত্ৰীসকলোকো কবলৈ দিয়ক আৰু সিহঁতক শোধক কোনটোৰ পাছত কোনটো কাম হব। প্ৰত্যেককে বিভিন্ন প্ৰশ্ন শুধি তেওঁলোকক কবলৈ দিয়ক। ইয়াৰ দ্বাৰা কথোপকথনৰ দ্বাৰা ক্ৰমত ঘটনা এটা কোৱাৰ লগতে ৰাতিপুৱা, দুপৰীয়া, আবেলি, গধূলি, ৰাতি ইত্যাদিৰ ধাৰণা ছাত্ৰ-ছাত্ৰীৰ মাজত স্পষ্ট কৰাব।
- ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰত্যেককে দিনটোত শুই উঠাৰ পৰা ৰাতিলৈকে কি কি কৰে শোধক আৰু কোনটো কামৰ পাছত

কোনটো কাম কৰে সেয়াও শোধক। মুঠতে তেওঁলোকক সময়ৰ লগে লগে আমি যে কামবোৰ কৰো বা কৰিব লাগে বিভিন্ন উদাহৰণ আৰু প্ৰশ্ন আৰু উত্তৰৰ দ্বাৰা তাৰ ধাৰণা জন্মাব

**কাৰ্য ২ -কেলেণ্ডাৰৰ কাৰ্য**

- শ্ৰেণীকোঠাত অসমীয়া আৰু ইংৰাজী ১২ মাহৰ দুখন কেলেণ্ডাৰ ওলমাই দিয়ক।
- প্ৰতেককে এতিয়া কি মাহ শোধক (ইংৰাজী মাহ) আৰু কেলেণ্ডাৰত সেই মাহটো সিহঁতক চিনাক্ত কৰিবলৈ দিয়ক। লগতে বিভিন্ন প্ৰশ্ন শোধক যেনে -
- এই মাহটোত কিমান দিন আছে?
- এই মাহটোৰ আগৰ মাহ / পিছৰ মাহ কোনটো ? সেইকেইটা মাহত কিমান দিন আছে।
- প্ৰতিটো মাহত সপ্তাহ কেইটা আছে? সপ্তাহটোত কিমান দিন। বাৰবোৰৰ নাম কি কি ? বাৰবোৰ কোনটোৰ পাছত কোনটো আহে ইত্যাদি
- পাঠদান কৰা দিনটো কোন মাহৰ কি তাৰিখ, কি বাৰ ইত্যাদি শোধক আৰু কেলেণ্ডাৰত ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰিবলৈ এজন এজনকৈ মাতি আনক। লগতে তেওঁলোকৰ কাৰ জন্ম মাহ আৰু জন্মদিন কি কেলেণ্ডাৰত ঘেৰ দিবলৈ দিয়ক।
- জন্মদিনটোত সিহঁতে কি কি কৰে আৰু কোনটোৰ পাছত কি কৰে শোধক।

এই ধৰণে বিভিন্ন আলোচনা /মনোগ্ৰাহী কথোপকথন শ্ৰেণীকোঠাত এইদৰে উপস্থাপন কৰক যাতে ছাত্ৰ-ছাত্ৰীহঁতৰ সুন্দৰ সহাঁৰি পায় আৰু তেওঁলোকক জড়িত কৰি বছৰ, মাহ, বাৰ, সপ্তাহ, দিন ইত্যাদিৰ ধাৰণা দিব আৰু বিভিন্ন প্ৰশ্ন আৰু আলোচনাৰ দ্বাৰা সিহঁতক লগে লগে মূল্যায়ন কৰি যাব যাতে সিহঁতৰ শিকনখিনি সুনিশ্চিত হয়।

**কাৰ্য ৩ - ঘড়ীৰ লগত চিনাকি**

শ্ৰেণীকোঠাত শিশুক জড়িত কৰি এটা কাগজৰ ঘড়ী বনাই ওলমাই দিয়ক। লগতে এটা প্ৰকৃত দেৱাল ঘড়ী বা টেবুল ঘড়ী সিহঁতক দেখুওৱাকৈ ৰাখক।

- এইবাৰ বিভিন্ন প্ৰশ্ন শোধক। যেনে - ঘড়ীটোত কি কি সংখ্যা দেখিছে। সংখ্যাবোৰ ক্ৰমত ক'বলৈ দিয়ক (১ ৰ পৰা ১২ লৈ) ঘড়ীটোত কেইডাল কাঁটা আছে? কাঁটা কেইডাল সমান নে ? সৰু কাঁটাডাল যে ঘন্টাৰ কাঁটা আৰু ডাঙৰ কাঁটাডালক মিনিটৰ কাঁটা বুলি কয় তাক বুজাই কওক।

এইবাৰ আপুনি শোধক বিদ্যালয় কেই বজাত আৰম্ভ হয়, কেই বজাত দুপৰীয়াৰ আহাৰৰ বাবে জিৰণী হয়, কেই বজাত বিদ্যালয় ছুটি হয়। এইবাৰ সেই সময়বোৰ আপোনাৰ নমুনা ঘড়ীত সৰু কাঁটা আৰু ডাঙৰ কাঁটা সঠিকভাৱে উপস্থাপন কৰি কিদৰে সময় নিৰ্ধাৰণ কৰিব লাগে বুজাই দিয়ক। আৰু বিভিন্ন সময় বুজাবলৈ কাঁটা দুডাল বিভিন্ন স্থানত ৰাখি প্ৰতিজনক মাতি সময়টো কবলৈ দিয়ক। আৰু সিহঁতক হাতে-কামে জড়িত কৰি ঘড়ী চাবলৈ উৎসাহিত কৰিব। লগতে তলৰ কথাখিনি আলোচনাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক জানিবলৈ দিব। যেনে -

- এটা দিনত ২৪ ঘন্টা। ১২ ঘন্টাৰ ঘড়ীত কিদৰে ২৪ ঘন্টা প্ৰকাশ কৰো।
- এক ঘন্টাত কিমান মিনিট।
- এক মিনিটত কিমান চেকেণ্ড।

এইবাৰ ঘড়ী ব্যৱহাৰ কৰি ১ চেকেণ্ড , ১ মিনিট আৰু ১ ঘন্টা কিমান সময় বিভিন্ন কাৰ্যৰ দ্বাৰা সিহঁতক বুজিবলৈ দিব। যেনে - ১ চেকেণ্ডত আমি কেইবাৰ উশাহ-নিশাহ লওঁ।

- ১ মিনিটত সময় মৌনতাত থাকিবলৈ দি ।
- ৰাতিপুৱা ৯ বজাৰ পৰা ১০ বজালৈ আমি কি কি কৰো ইত্যাদিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক মিনিট, চেকেণ্ড আৰু ঘন্টাত কিমানখিনি সময় তাৰ ধাৰণা দিয়ক।
- ইয়াৰ পাছত বিভিন্ন ঘড়ী সংগ্ৰহ কৰি যেনে হাতঘড়ী, Digital ঘড়ী, ২৪ ঘন্টীয়া ঘড়ীৰ লগত চিনাকি কৰাই দিব আৰু সিহঁতৰ নিজৰ নিজৰ ঘৰত কি কি ঘড়ী আছে আৰু সিহঁতে ঘড়ী চাই সময়মতে কিদৰে একোটা কাম কৰে তাৰ ওপৰত আলোচনা কৰক লগতে সময়ৰ মূল্যবোধৰ ওপৰতো সিহঁতৰ লগত বয়সোপযোগী আলোচনা কৰক।

**চিন্তন ঃ-**

- আপোনাৰ উদাহৰণবোৰে ছাত্ৰ-ছাত্ৰীক সময়ৰ ধাৰণা বুজি পাবলৈ সহায় কৰিছিলনে?
- উদাহৰণবোৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী আৰু মনোগ্ৰাহী হৈছিল নে?
- বিভিন্ন চিত্ৰ, ঘড়ী, কেলেণ্ডাৰ আদিৰে আপোনাৰ শ্ৰেণীকক্ষটো সজাই তুলিবলৈ আপুনি পাৰিছিলনে?
- ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে আপোনাৰ প্ৰশ্নাবোৰৰ শুদ্ধ উত্তৰ দিবলৈ চেষ্টা কৰিছিলনে?
- শ্ৰেণীকোঠাত তেওঁলোকক সক্ৰিয় অংশ গ্ৰহণ কৰাবলৈ আপুনি পাৰিছিলনে?
- ঘড়ী চাই সময় নিৰ্ধাৰণ কাৰ্যটোত আপুনি কি কি অসুবিধা পাইছিল? অসুবিধাবোৰ দূৰ কৰিবলৈ আপুনি কি কি কৰিবলগীয়া হৈছিল ইত্যাদি।

**ক্ষেত্ৰ অধ্যয়ণ (Case Study) -**

শিক্ষকৰ সুবিধাৰ বাবে বাস্তৱ উদাহৰণৰে এটি ক্ষেত্ৰ অধ্যয়ন উপস্থাপন কৰা হ'ল। আশা কৰো ক্ষেত্ৰ অধ্যয়নটোৰ দ্বাৰা শিক্ষকে ছাত্ৰ-ছাত্ৰীক সময়ৰ ধাৰণা কিদৰে দিব আৰু লগে লগে কিদৰে মূল্যায়ন কৰি যাব তাৰ আভাস পাব।

*এইবাৰ পূজাৰ বন্ধত ৰীমা মাকৰ সৈতে গুৱাহাটীৰ পেহীয়েকৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। পেহীয়েকৰ ল'ৰা অঞ্জনেও দ্বিতীয় শ্ৰেণীত পঢ়ে। একে সমান বয়স আৰু একেটা শ্ৰেণীত হোৱাৰ বাবে দুয়ো একেলগে খেলি ভাল পাইছিল। ৰীমা বৰ অনুসন্ধিৎসু মনৰ ছোৱালী। খেলি থকা সময়ত ৰীমাৰ চকু হঠাৎ দেৱালত ওলমি থকা ঘড়ীটোৰ ওপৰত পৰিল। তাই দেখিলে যে এই ঘড়ীটো সিহঁতৰটোৰ দৰে নহয়। ইয়াৰ কাঁটা নাই। ঘড়ীটোত কিছুমান সংখ্যা বহি আছে। তাৰে কিছুমান সংখ্যা অলপ পিছে পিছে সলনি হৈ আছে। আকৌ ঘড়ীটোত কিছুমান ইংৰাজী আখৰো ভাহি আছে।*

*অঞ্জনে ৰীমাক মাত লগালে - "ৰীমা, তুমি ঘড়ীটোৰ ফালে কিনো চাই আছা?" "তোমালোকৰ ঘড়ীটোতনো কি কি লিখা আছে, মোক অকনমান বুজাই দিবানে? - ৰীমাই এনেদৰে অঞ্জনক সুধিলে। অঞ্জনে ক'লে - "সোধাচোন বাৰু, কি বুজা নাই? "*

*" 16 ৰ সোঁফালে থকা, OCT য়ে কি বুইছেনে?" - ৰীমাই সুধিলে।*

*"অ' - এইটোৱে অক্টোবৰ বুজাইছে - অঞ্জন। ৰীমাই আকৌ সুধিলে - "TUE য়ে কি বুজাইছে?" TUE য়ে Tuesday বুজাইছে, ৰীমা - অঞ্জনে ক'লে।*

*ৰীমাই মূৰটো জোকাৰি জোকাৰি ক'লে - "এতিয়াহে মই বুজিব পাৰিছো। আজি মঙ্গলবাৰ আৰু অক্টোবৰ মাহৰ 16 তাৰিখ। নহয় জানো?"*

*অঞ্জনে ক'লে - "অ' হয়।"*

*ৰীমাই ঘড়ীটোৰ ফালে চাই চাই কৈ থাকিল - "তাৰ মানে কাইলৈ 16 ৰ ঠাইত 17 আৰু Tuesday ৰ ঠাইত Wednessday লিখা উঠিব। নহয় নে অঞ্জন?"*

*অঞ্জনে ৰীমাৰ কথা নুশুনাকৈয়ে ভিতৰৰ কোঠালীটোলৈ লৰি গৈছিল আৰু অলপ সময়ৰ ভিতৰত সি তাৰ মাকক লৈ উভতি আহিল।*

*"মা, মা, ঘড়ীটোত কি কি আছে তুমি ৰীমাক বুজাই দিয়ানা।" - অঞ্জনে তাৰ মাকক ক'লে।*

*"হ'ব আৰু।"*

*"তুমি কি কি বুজা নাই, ৰীমা?" - পেহীয়েকে ৰীমাক সুধিলে।*

*ৰীমাই ঘড়ীৰ ফালে আঙুলি টোৱাই সুধিলে - "সেই এঘাৰ আৰু বত্ৰিছে কি কি বুজাইছে?" পেহীয়েকে ৰীমাক বুজাই দিলে, -"বাওঁফালৰ এঘাৰ সংখ্যাটোৱে ঘন্টা আৰু সোঁফালৰ বত্ৰিছ সংখ্যাটোৱে মিনিট বুজাইছে। ৰীমাই আনন্দিত হৈ ক'লে - "তাৰ মানে এতিয়া দিনৰ ১১ বাজি ৩২ মিনিট হৈছে।*

*"অঞ্জনে কোৱাচোন, কেই মিনিটত এক ঘন্টা? - মাকে অঞ্জনক সুধিলে।*

*"ষাঠি মিনিটত এক ঘন্টা, মা" - অঞ্জনে উত্তৰ দিলে।*

*ৰীমাই যোগ দিলে - "অৰ্থাৎ ৩২ ৰ ঠাইত ষাঠি হওতে দুপৰীয়া বাৰ বাজিব। নহয় নে পেহী?*

*"অ' হয় ৰীমা। তুমি বুজিব পাৰিছা।" - পেহীয়েকে ক'লে।*

*“এনেদৰে মুঠ ২৪ ঘন্টাত এদিন হয় আৰু ৩৬৫ দিনত এবছৰ হয়।” - ৰীমাক পেহীয়েকে ক'লে।*

*“মা, মা, তেতিয়াহলে ডিচেম্বৰৰ ৩১ তাৰিখে এই বছৰ শেষ হ'ব আৰু তাৰ পিছদিনাখনৰ পৰাই নতুন বছৰ ২০১৯ আৰম্ভ হ'ব। নহয়নে? - অঞ্জনে তাৰ মাকক সুধিলে।*

*“পেহী, আপোনাৰ পৰা আজি সময়ৰ বিষয়ে বহু কথা শিকিলো। ধন্যবাদ পেহী।” - এইদৰে ৰীমাই পেহীয়েকক শলাগিলে।*

ক্ষেত্ৰ অধ্যয়ণটোৰ পৰা আপুনি চাগৈ বুজি পালে কথোপকথন, বাস্তৱ উদাহৰণ আৰু প্ৰশ্ন উত্তৰৰ জৰিয়তে কিদৰে শিকাব পাৰি আৰু মূল্যায়নো কৰি যাব পাৰি।

**মূল্যায়ন ঃ**

ছাত্ৰ-ছাত্ৰীয়ে সময়ৰ লগত জড়িত শিকন ফলাফল আয়ত্ত কৰিব পাৰিছেনে নাই তাক মৌখিকভাৱে আৰু কাৰ্যভিত্তিক কৰিব লাগে। তাৰ বাবে পাঠদানৰ লগে লগে বিভিন্ন প্ৰশ্ন শুধি বা ঘড়ী চোৱা, কেলেণ্ডাৰ চোৱা কাৰ্যৰ দ্বাৰা প্ৰতিজন ছাত্ৰ-ছাত্ৰীক মূল্যায়ন কৰি যাব লাগে।

- ছাত্ৰী-ছাত্ৰীৰ প্ৰয়োজন অনুযায়ী পুনৰ শিকন আৰু বাৰে বাৰে কৰা মূল্যায়নৰ দ্বাৰা শিকন ফলাফল নিশ্চিত কৰিব। মূল্যায়নৰ বাবে বিভিন্ন ঘটনা, পৰিস্থিতি, চিত্ৰ কাহিনী, চিত্ৰ, ঘড়ী ইত্যাদি ব্যৱহাৰ কৰিব লাগিব।

**সামৰণি ঃ**

সময় বুজি পোৱা আৰু সময় নিৰ্ধাৰণ কৰা কৌশল যাতে প্ৰতেক ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব পাৰে তাৰ বাবে শ্ৰেণীকোঠাত শিক্ষকে আনন্দদায়ক শিকন পৰিৱেশ সৃষ্টি কৰি লব লাগিব। লগতে বিভিন্ন ক্ৰিয়াকলাপ যেনে - সাধু কোৱা, গীত গোৱা, ছবি আঁকা, আবৃত্তি কৰা, সমূহীয়া নৃত্য, খেলা ইত্যাদি কৰাই কোনটো কাৰ্যক্ৰমত কিমান সময় লাগে ইয়াক উপলব্ধি কৰাই সময়ৰ ধাৰণা দিব আৰু যিকোনো কিছুমান কামৰ কোনটো কামত কম সময় লাগে বা কোনটো কামত বেছি সময় লাগে তাৰ ধাৰণা জন্মাব আৰু সৰুৰ পৰাই ছাত্ৰ-ছাত্ৰীক ঘড়ী চাই কাম কৰাৰ প্ৰতি উৎসাহিত কৰিব তেতিয়াহে আগলৈ তেওঁলোকৰ সময়মতে কাম কৰাৰ মানসিকতা গঢ়ি উঠিব আৰু ভৱিষ্যতে সময়ৰ মূল্যবোধ জাগ্ৰত হ'ব।

------ ----